**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-JULY-2026 **Time :** 18-00 PM

***Assamese Evening Bulletin***
**HEADLINES (6.00 PM)**
**::::::::::::::::::**

১। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে বান ক্ষতিগ্ৰস্ত জিলাসমূহৰ বিধায়ক, জিলা আয়ুক্ত আৰু শীৰ্ষ বিষয়াসকলৰ সৈতে বৈঠক।

২। ৰাজ্যৰ বান পৰিস্থিতি আজিও অপৰিৱৰ্তিত। বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৪৭ লৈ বৃদ্ধি।

৩। যোৰহাট, শিৱসাগৰ আৰু চৰাইদেউ জিলালৈ বান ব্যৱস্থাপনাৰ বাবে অতিৰিক্ত পুঁজি আৱণ্টন কৰা হৈছে বুলি মন্ত্ৰী কেশৱ মহন্তৰ বিধানসভাত প্ৰকাশ।

**আৰু**

৪। অসমৰ বান পৰিস্থিতি সন্দৰ্ভত নতুন দিল্লীত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ সংবাদমেল।

০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে বান ক্ষতিগ্ৰস্ত জিলাসমূহৰ বিধায়ক, জিলা আয়ুক্ত আৰু শীৰ্ষ বিষয়াসকলৰ সৈতে বৈঠকত মিলিত হৈ উদ্ধাৰ আৰু সাহায্য অভিযানৰ অগ্ৰগতিৰ বুজ লয়। ড০ শৰ্মাই চৰাইদেউ আৰু শিৱসাগৰ জিলাৰ সংযোগ বিচ্ছিন্ন হোৱা অঞ্চল বিশেষকৈ নাজিৰা মহকুমাত পানীৰ মাজত আবদ্ধ হৈ পৰা লোকসকলৰ উদ্ধাৰ অভিযান তীব্ৰতৰ কৰি তুলিবলৈ জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে। তেওঁ প্ৰয়োজন অনুসৰি বায়ুসেনাৰ হেলিকপ্টাৰৰ সহায়ত খাদ্য সামগ্ৰীকে ধৰি অত্যাৱশ্যকীয় সামগ্ৰীৰ যোগান, ভ্ৰাম্যমান চিকিৎসা দল নিয়োগ আদি সুনিশ্চিত কৰিবলৈ পৰামৰ্শ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে বান ক্ষতিগ্ৰস্ত অঞ্চলৰ বোকাময় পথবোৰ মুকলি কৰি যোগাযোগ ব্যৱস্থা গঢ়ি তুলিবলৈ আহ্বান জনায়।

সাম্প্ৰতিক বান পৰিস্থিতিৰ কেতবোৰ গুৰুত্বপূৰ্ণ দিশ সন্দৰ্ভত আজি এখন সংবাদমেলত মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে বানত চৰাইদেউ জিলাৰ ৩টা ৰাজহ চক্ৰৰ ১৫২ খন গাঁৱৰ ১ লাখ ৩৩ হাজাৰ ১৫৯ জন লোক ক্ষতিগ্ৰস্ত হৈছে। জিলাখনত বানত ১০ জন লোকৰ মৃত্যু হোৱাৰ বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। একেদৰে শিৱসাগৰ জিলাৰ ৫টা ৰাজহ চক্ৰৰ ৩৩৩ খন গাঁৱৰ ৫ লাখ ৩০ হাজাৰ লোক বানত প্ৰভাৱিত হৈছে। জিলাখনত বানত মৃত্যু হোৱা লোকৰ সংখ্যা হৈছে ২১। ড০ শৰ্মাই কয়, যে চৰাইদেউ জিলাৰ বিভিন্ন প্ৰান্তলৈ সাহায্য সামগ্ৰী প্ৰেৰণ কৰা হৈছে যদিও শিৱসাগৰ জিলাৰ নাজিৰাৰ ৩০ শতাংশ অঞ্চললৈ এতিয়াও বান সাহায্য প্ৰদান কৰিব পৰা হোৱা নাই।

**বাইট (চি এম)-১**

মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে মন্ত্ৰী বিমল বৰা আৰু সুশান্ত বৰগোহাঁইয়ে জিলাকেইখনৰ বান পৰিস্থিতি নিৰীক্ষণ কৰি আছে। শিৱসাগৰ আৰু চৰাইদেউ জিলাত পৰ্যাপ্ত খাদ্য সামগ্ৰী যোগান ধৰাৰ বাবে তিনিচুকীয়া, ডিব্ৰুগড় আৰু কামৰূপ মহানগৰ জিলাৰ পৰা সাহায্য সামগ্ৰী প্ৰেৰণ কৰা হৈছে বুলি ড০ শৰ্মাই জানিবলৈ দিয়ে। তেওঁ লগতে কয়, যে উদ্ধাৰ অভিযানৰ বাবে এন ডি আৰ এফ আৰু এছ ডি আৰ এফৰ নাও ব্যৱহাৰ কৰাৰ

উপৰি খাদ্য সামগ্ৰী যোগান ধৰাৰ বাবে মাজুলী, ধেমাজি আৰু লখিমপুৰৰ পৰা টুলুঙা নাও আৰু পাল নাও সংগ্ৰহ কৰা হৈছে।

ইপিনে পানী লাহে লাহে হ্ৰাস পাবলৈ ধৰাৰ ফলত বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহত যাতে কোনো মহামাৰী নহয় তাৰ বাবে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ তৰফৰ পৰা ভ্ৰাম্যমান চিকিৎসা সেৱাৰ ব্যৱস্থাৰ উপৰি ডিব্ৰুগড় আৰু যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসকৰ দল মোতায়েন কৰা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০

অসমৰ বান পৰিস্থিতি আজিও জটিল হৈ আছে। বানৰ কবলত পৰা জিলাকেইখনৰ কোনো কোনো অঞ্চলত পানী কমিবলৈ লৈছে যদিও ২৫ খন জিলাৰ বিস্তীৰ্ণ অঞ্চল এতিয়াও বানত বুৰ গৈ আছে।

সাম্প্ৰতিক বানত ৰাজ্যখনৰ দুহেজাৰ ২৩ খন গাঁৱৰ ১০ লাখ ৬৩ হাজাৰৰো অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে। ইপিনে চলিত বৰ্ষৰ বানত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ৪৭ লৈ বৃদ্ধি পাইছে। বানত এতিয়ালৈকে ৮ জন লোক সন্ধানহীন হৈ আছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সূত্ৰ অনুসৰি সাম্প্ৰতিক বানত ২৫ হাজাৰ ৩৭৫ হেক্টৰৰো অধিক কৃষিভূমি প্লাবিত হৈছে। প্ৰশাসনে ক্ষতিগ্ৰস্ত জিলাসমূহত ১৬২টা আশ্ৰয় শিবিৰ আৰু এহেজাৰ ৭২টা সাহায্য বিতৰণ কেন্দ্ৰ মুকলি কৰিছে। আশ্ৰয় শিবিৰসমূহত ৪১ হাজাৰৰো অধিক লোকে আশ্ৰয় লৈ আছে। বানৰ ফলত উজনি অসমৰ শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাত সৰ্বাধিক ক্ষতি হৈছে।

ইপিনে নীপকোৰ দৈয়াং জলবিদ্যুৎ প্ৰকল্পৰ জলধাৰৰ পানী ক্ৰমশঃ বৃদ্ধি পাইছে বুলি আমাৰ গোলাঘাটৰ সংবাদদাতাই জনাইছে। আজি দিনৰ ডেৰ বজালৈ প্ৰকল্পটোৰ জলধাৰৰ জলস্তৰ ৩২৩ দশমিক ১—৬ মিটাৰলৈ বৃদ্ধি পোৱাত চাৰিওখন স্পীলৱে গে'ট খুলি দিয়া হৈছে। বৰ্তমান এই গে'টেৰে প্ৰতি ছেকেণ্ডত প্ৰায় ২০৯ ঘনমিটাৰ পানী এৰি দিয়া হৈছে। গোলাঘাট আৰু বোকাখাত মহকুমাৰ কেইবাখনো নদীৰ জলস্তৰ ইতিমধ্যে বিপদসীমা অতিক্ৰম কৰিছে। প্ৰকল্পটোৰ জলস্তৰ ঘনে ঘনে বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত যিকোনো সময়ত পানী নিৰ্গমনৰ পৰিমাণ অধিক বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে। জিলা প্ৰশাসনে প্ৰকল্পটোৰ নামনি অঞ্চলত বানৰ আশংকা কৰি নদী কাষৰীয়া অঞ্চলৰ লোকসকলক সতৰ্ক হৈ থাকিবলৈ আহ্বান জনাইছে।

কাৰ্বি আংলং জিলাত বানত দুজন লোক মৃত্যুমুখত পৰাৰ লগতে ১৭ হাজাৰ ১৫৫ জন লোক বানৰ কবলত পৰিছে। বানপীড়িত লোকসকলক উদ্ধাৰৰ বাবে অগ্নি আৰু জৰুৰীকালীন সেৱাৰ বাহিনী, এছ্ ডি আৰ এফ, আৰক্ষী তথা স্থানীয় ৰাইজৰ অভিযান অব্যাহত আছে। প্ৰশাসনে বানপীড়িত লোকসকলক যাৱতীয় সাহায্য সামগ্ৰীৰ লগতে পশু খাদ্য যোগানৰ ব্যৱস্থা কৰিছে। অৱশ্যে জিলাখনৰ মাজেৰে বৈ যোৱা দিখাৰু, হৰিণা, ধনশিৰি আৰু ডিফু নদীৰ জলস্তৰ বৰ্তমান কিছু হ্ৰাস পাইছে বুলি জানিব পৰা গৈছে।

০০০০০০

বানৰ পৰিপ্ৰেক্ষিতত যোৰহাট, শিৱসাগৰ আৰু চৰাইদেউ জিলালৈ অতিৰিক্ত পুঁজি আবণ্টন কৰা হৈছে বুলি ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী কেশৱ মহন্তই প্ৰকাশ কৰিছে। মন্ত্ৰীগৰাকীয়ে আজি বিধানসভাত কয়, যে যোৰহাট জিলাৰ বাবে অতিৰিক্তভাৱে ১ কোটি আৰু শিৱসাগৰ তথা চৰাইদেউ জিলাৰ বাবে ৪ কোটি টকাকৈ আবণ্টন কৰা হৈছে। জিলাকেইখনলৈ অতিৰিক্ত খাদ্য সামগ্ৰীও আবণ্টিত কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

**বাইট (কেশৱ মহন্ত)**

০০০০০০০০

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অসমৰ বান পৰিস্থিতি সন্দৰ্ভত নতুন দিল্লীত আজি এখন সংবাদমেল সম্বোধন কৰে। শেহতীয়া বানত ৪৭ জন লোকে প্ৰাণ হেৰুৱালগীয়া হোৱাত তেওঁ গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। ৰাজ্য চৰকাৰৰ পৰা পোৱা তথ্যৰ ওপৰত ভিত্তি কৰি আজি কেন্দ্ৰীয় চৰকাৰৰ কেবিনেট বৈঠকত অসমৰ বান পৰিস্থিতি সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয় বুলি তেওঁ সংবাদমেলত জানিবলৈ দিয়ে। অতি সোনকালে কেন্দ্ৰীয় চৰকাৰৰ এটা প্ৰতিনিধি দল অসমৰ বান পৰিস্থিতি বুজ লোৱাৰ উদ্দেশ্যে অসমলৈ আহিব বুলি উল্লেখ কৰে। বানত ক্ষতিগ্ৰস্ত হোৱা লোক সকলক পুনৰ উদ্ধাৰৰ লগতে পুনৰ সংস্থাপনৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰক কেন্দ্ৰই সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়াব বুলি তেওঁ মন্তব্য কৰে।

০০০০০০

সম্প্ৰতি প্ৰলয়ংকাৰী বানৰ কবলত পৰা উজনি অসমৰ লাখ লাখ ক্ষতিগ্ৰস্ত লোকক পাৰ্য্যমানে সহায়ৰ হাত আগবঢ়াবলৈ অসম সত্ৰ মহাসভাই সত্ৰ মহাসভাৰ প্ৰতিখন জিলা সমিতিক আহ্বান জনাইছে। অসম সত্ৰ মহাসভাৰ সম্পাদক প্ৰধান কুসুম কুমাৰ মহন্ত আৰু সাংস্কৃতিক সম্পাদক যুগান্ত বায়নে এই সন্দৰ্ভত প্ৰকাশ কৰা এটা বিবৃতিৰযোগে জিলা সমিতি সমূহৰ লগতে সকলো শ্ৰেণীৰ ৰাইজক মুখ্যমন্ত্ৰী সাহায্য পুঁজিলৈ এই সাহাৰ্য্য প্ৰদান কৰিবলৈ আহ্বান জনাইছে। সত্ৰ মহাসভাই লগতে বৰ্তমান এই ভয়াবহ পৰিস্থিতিত বানত আক্ৰান্ত লোক সকলৰ বাবে অতি প্ৰয়োজন হোৱা কাপোৰ আদি আগবঢ়াবলৈ আহ্বান জনায়।

০০০০০০

অসম চৰকাৰৰ ২০২৬-২৭ বিত্তীয় বৰ্ষৰ পূৰ্ণাংগ বাজেটত বজালী জিলাত চিকিৎসা মহাবিদ্যালয় স্থাপনৰ ঘোষণা আৰু ভট্টদেৱ বিশ্ববিদ্যালয়ৰ উন্নয়নৰ বাবে ৫০ কোটি টকা আবণ্টনৰ প্ৰস্তাৱক আদৰণি জনাই আজি পাঠশালাত বজালী জিলা বিজেপিয়ে এখন সংবাদ মেল অনুষ্ঠিত কৰে। সংবাদমেলত জিলা বিজেপিৰ সভাপতি মুকুট কলিতাই ৰাজ্যিক বাজেটক জনকল্যাণমুখী, উন্নয়নমুখী আৰু  দূৰদৰ্শী বাজেট বুলি অভিহিত কৰে। তেওঁ কয় যে বজালীত চিকিৎসা মহাবিদ্যালয় স্থাপনৰ সিদ্ধান্তই সমগ্ৰ নামনি অসমৰ স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত এক নতুন অধ্যায়ৰ সূচনা কৰিব। তেওঁ লগতে সহজ যোগাযোগ আৰু ভৱিষ্যত সম্প্ৰসাৰণৰ সুবিধাৰ বাবে চিকিৎসা মহাবিদ্যালয়খন ৰাষ্ট্ৰীয় ঘাইপথৰ সমীপত স্থাপন কৰাৰ দাবী জনায়। সংবাদমেলত ভট্টদেৱ বিশ্ববিদ্যালয়লৈ ৫০ কোটি টকা আৱণ্টনৰ প্ৰস্তাৱক এক ঐতিহাসিক পদক্ষেপ বুলি উল্লেখ কৰি বিশ্ববিদ্যালয়খনৰ আন্তঃগাঁথনি, গৱেষণা আৰু উচ্চ শিক্ষাৰ মান উন্নয়নত ইয়াৰ বিশেষ ভূমিকা থাকিব বুলি আশা প্ৰকাশ কৰে। ইয়াৰোপৰি বজালীৰ ভালুকি অঞ্চলত চৰকাৰী ভূমিত উদ্যোগিক পাম স্থাপন, বজালী জিলা আয়ুক্ত সংহত কাৰ্য্যালয়ৰ নিৰ্মাণ তৰান্বিত কৰা আৰু নতুন বজালী জিলা চিকিৎসালয় শীঘ্ৰে মুকলি কৰাৰ বাবেও চৰকাৰৰ ওচৰত দাবী জনোৱা হয়। সংবাদমেলত অৰুণোদয়ই আঁচনি, কৃষি, স্বাস্থ্য, শিক্ষা, মহিলা আত্মসহায়ক গোট, যুৱ সমাজ আৰু চাহ জনগোষ্ঠীৰ বাবে বাজেটত অন্তৰ্ভূক্ত বিভিন্ন কল্যাণমূলক ব্যৱস্থাৰ শলাগ লোৱাৰ লগতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু বিত্তমন্ত্ৰী জয়ন্তমল্ল বৰুৱাক ধন্যবাদ জ্ঞাপন কৰা হয়।

০০০০০

**সমাপ্ত**